# পিতৰৰ প্ৰথম পত্ৰ

১ ১পিতৰ যি যীচু খ্ৰীষ্টৰ পাঁচনি:ঈশ্বৰৰ সেই মনোনীত লোক বিলাকৰ নাম যি পন্তচ, গালাতিয়া, কাপ্পদকিয়া, এচিয়া আৰু বিথুনিয়া দেশত সকলো ঠাইতে গোট গোট হৈ আছে। ২যি তোমালোকক ঈশ্বৰৰ পুৰ্ব্বজ্ঞান অনুসাৰে মনোনীত কৰিছে, যি তেওঁৰ পবিত্ৰ আত্মাৰ কাৰ্য্যত সমৰ্পিত হওক, যাক আজ্ঞাধীন হবৰ বাবে আৰু যিবালাকক যীচু খ্ৰীষ্টৰ তেজেৰে পবিত্ৰতা-দানত পবিত্ৰ হবলৈ মনোনীত কৰা হৈছে।

তোমালোকলৈ ঈশ্বৰৰ অনুগ্ৰহ আৰু শান্তি অধিকতকৈ অধিক ৰুপে হওক।

### জীৱিত আশা

৩আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰ ধন্য।মৃতবিলাকৰ মাজৰ পৰা যীচু খ্ৰীষ্টক পুমৰুত্থানৰ দ্বাৰাই তেওঁৰ নিজৰ অসীম দয়া অনুসাৰে জীৱনময় আশা পাবলৈ তেওঁ আমাক পুনৰ্জন্ম দিলে। ৪যাতে তোমালোকে স্বৰ্গত সঞ্চিত অক্ষয়, নিৰ্ম্মল আৰু অজৰ-অমৰ অবিনাশী উত্তৰাধিকাৰী হোৱা।

৫যি বিশ্বাসৰ দ্বাৰাই ৰক্ষিত হৈছা, সেইবিলাক তেওঁ শেষ কালত প্ৰকাশিত হবলৈ যুগুত হোৱা পৰিত্ৰাণৰ নিমিত্তে সেয়া যেন পোৱা। ৬ইয়াতে তোমালোক উল্লাসিত। এতিয়া অলপ কাল নানাবিধ পৰীক্ষাত শোকাকুল হোৱা হলেও। ৭যাতে তোমোলোকৰ সেই পৰীক্ষা-সিদ্ধতাৰ বিশ্বাস যিহক জুইৰ দ্বাৰাই পৰীক্ষা কৰা হয়, এনে সোণতকৈও বহুমূল্যৱান, সেয়া যীচু খ্ৰীষ্ট প্ৰকাশিত হোৱা কালত ঈশ্বৰৰ দ্বাৰা প্ৰশংসা, গৌৰৱ আৰু সমাদৰ দেখা যাব।

৮যদিও তোমালোকে তেওঁক দেখা নাই, তথাপিও তেওঁক প্ৰেম কৰিছা। আৰু এতিয়াও তেওঁক নেদেখিও, তেওঁত বিশ্বাস কৰি আৰু এনে আনন্দৰে পৰিপূৰ্ণ হৈছা, যি অনিৰ্ব্বাচনীয় আৰু প্ৰভাৱযুক্ত। ৯আৰু তোমালোকৰ বিশ্বাসৰ পৰিণাম স্বৰুপে নিজৰ আত্মাৰ পৰিত্ৰাণ পোৱা হৈছা।

১০এই পৰিত্ৰাণৰ বিষয়ে সেই ভাৱবাদীসকলে, যত্নৰে বিচাৰ আৰু অনুসন্ধান কৰিছিল, যি সকলে তোমালোকৰ নিমিত্তে নিৰুপিত অনুগ্ৰহৰ ভাৱবাণী কৰিছিল। ১১সেই ভাৱবাদী সকলে খ্ৰীষ্টৰ আত্মাৰ দ্বাৰা খ্ৰীষ্টৰ নিমিত্তে নিৰপিত দুখ-ভোগৰ কথা কৈছিল আৰু তাৰ পাছত হব লগা প্ৰভাৱৰ বিষয়ে তেওঁবিলাকক আত্মাই জনাইছিল। এইবোৰ কথা এই পৃথিৱীত কেতিয়া হব আৰু তেতিয়া এই পৃথিৱীৰ কি হব। ১২তাক তেওঁবিলাকলৈ প্ৰকাশিত কৰা হৈছিল যাতে তেওঁবিলাকে স্বয়ং নিজৰ পৰিচৰ্য্যা কৰা নাছিল কিন্তু তোমালোকৰ পৰিচৰ্য্যা কৰিছিল। এই কথাবোৰ স্বৰ্গৰ পৰা পঠোৱা পবিত্ৰ আত্মাৰে যিবিলাকে তোমালোকৰ আগত শুভবাৰ্ত্তা প্ৰচাৰৰ মাধ্যমেৰে দিয়া হৈছিল।আৰু সেই বিষয়ে জানিবলৈ স্বৰ্গদূতবিলাকেও আকাংঙ্খা কৰিছে।

### পবিত্ৰ জীৱনৰ বাবে আমন্ত্ৰণ

১৩এতেকে মানসিক ৰুপে সচেতন হোৱা আৰু চেতনাযুক্ত হোৱা।সেই অনুগ্ৰহত সম্পূৰ্ণকৈ আশা কৰা যি যীচু খ্ৰীষ্ট প্ৰকাশিত হোৱা কালত তোমালোকলৈ দিয়া হব। ১৪আজ্ঞাধীন হোৱা সন্তানবিলাকৰ সমান সেই সময়ৰ বেয়া অভিলাসৰ নিচিনা নিজকে অনুৰুপ হবলৈ নিদিবা, যি বোৰত আগতে তোমালোক আছিলা, যেতিয়া তোমালোক অজ্ঞানী আছিলা। ১৫কিন্তু তোমালোকক আমন্ত্ৰণ কৰা জনা যেনে পবিত্ৰ তোমালোকো যেন নিজৰ সকলো আচাৰ ব্যৱহাৰত পবিত্ৰ হোৱা। ১৬শাস্ত্ৰই এনেকৈ কৈছে, "পবিত্ৰ হোৱা কিয়নো মই পবিত্ৰ।"[a]

১৭আৰু যদি তোমালোক, প্ৰত্যেকৰে কৰ্ম্মৰ অনুসাৰে পক্ষপাত নকৰাকৈ ন্যায় কৰা ঈশ্বৰক হে পিতৃ বুলি মাতা, তেনেহলে এই প্ৰৱাসী পৃথিৱীত নিজ নিজ সন্মানযুক্ত ভয়ৰে প্ৰবাস কাল নিয়াবা। ১৮তোমালোকে জানা যে সোণ, ৰুপ, আদি ক্ষয়ণীয় বস্তুৰে তোমালোকে সেই ব্যৰ্থ জীৱনৰ পৰা মুক্তি প্ৰাপ্তি হোৱা নাই, যি আচৰণবোৰ তোমালোকৰ পূৰ্ব্ব-পূৰুষৰ পৰা চলি আহিছে। ১৯কিন্তু সেয়া তোমালোকক নিঘুনী আৰু নিষ্কলঙ্ক মেৰ পোৱালীস্বৰুপ খ্ৰীষ্টৰ বহুমূল্য তেজৰ দ্বাৰাইহে প্ৰাপ্তি হৈছা। ২০জগতৰ সৃষ্টিৰ আগতেই তেওঁক নিযুক্ত কৰা হৈছিল কিন্তু তোমালোকৰ বাবে এই শেষ কলত প্ৰকাশিত কৰা হল। ২১সেই খ্ৰীষ্টৰ কাৰণেই তোমালোকে ঈশ্বৰত বিশ্বাস কৰিলা তেওঁক মৃত বিলাকৰ মাজৰ পৰা তুলি গৌৰম্বাৱিত কৰিলে। এইদৰেই তোমালোকৰ বিশ্বাস আৰু আশা ঈশ্বৰতেই স্থিৰে হয়।

২২এতিয়া চোৱা তোমালোকে সত্যৰ আজ্ঞাধীনতাৰ অকপট ভাতৃ প্ৰেমৰ অৰ্থে নিজ নিজ আত্মাক শুচি কৰা হলা লগতে হৃদয়ৰ সহিত পৰস্পৰে আগ্ৰহেৰে প্ৰেমক লক্ষ্য কৰি লোৱা। ২৩তোমালোক ক্ষয়নীয় বীজৰ দ্বাৰা পুনজন্ম লাভ কৰা নাই কিন্তু অক্ষয় বীজৰ পৰিনাম যি অমৰ, তোমালোকৰ পুনজন্ম ঈশ্বৰৰ সেই শুভসংবাদৰ দ্বাৰাই হৈছা যি জীৱিত আৰু চিৰস্হায়ী। ২৪কিয়নো শাস্ত্ৰই কৈছে,

"মৰ্ত্ত্যমাত্ৰেই তৃণৰ সদৃশ্য,  
আৰু তাৰ সকলো মৰ্য্যদা তৃণৰ ফুলৰ সদৃশ্য  
তৃণ শুকায়,

[a] **১:১৬** উদ্ধৃতি লেবীয়া পুস্তক ১১:৪৪, ৪৫; ১৯:২; ২০:৭

আৰু ফুলো সৰে।
২৫ কিন্তু প্ৰভুৰ বাক্য অনন্তকাললৈ থাকে।” *যিচয়া ৪০:৬–৮*

আৰু এয়া সেই বাক্য যি তোমালোকৰ আগত প্ৰচাৰ কৰা
হল।

### জীৱিত শিল আৰু পবিত্ৰ প্ৰজা

**২** ১এতেকে সকলো বেয়া কৰ্ম্ম, ছল, কপট, অনূয়া
তথা হিংসা আৰু পৰচৰ্চ্চাৰ পৰা দূৰত থাকা।
২নৱজাত শিশুৰ দৰে আত্মিক গাখীৰলৈ হাবিয়াস কৰা
যাতে তোমালোকৰ পৰিত্ৰাণ বৃদ্ধি হয়। ৩এতিয়া প্ৰভু যে
অনুগ্ৰহশীল তোমালোকে তাৰ আস্বাদ পালা।
৪যীচু খ্ৰীষ্টৰ ওচৰলৈ আঁহা।তেৱেঁই জীৱন্ত শিল।মানুহৰ
দ্বাৰাই অগ্ৰাহ্য, কিন্তু যি ঈশ্বৰৰ দৃষ্টিত মনোনীত আৰু
বহুমূল্য। ৫তোমালোকেও জীয়া শিলৰ সমান গথাঁ হৈ
আত্মিক ঘৰৰ ৰূপত নিৰ্ম্মান হৈ আছা যাতে পবিত্ৰ
পুৰোহিতসমূহৰ দৰে সেৱা কৰিব পাৰিবা যাৰ কৰ্তব্য এয়ে
যে এনে আত্মিক যজ্ঞ উৎসৰ্গ কৰা যি খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰৰ
পৰমগ্ৰাহ্য। ৬শাস্ত্ৰত লিখা আছে:

“চোৱা, মই চিয়োনত এটা চুকৰ শিল স্হাপন
কৰোঁ যিটো মনোনীত আৰু বহুমূল্য
যি জনে তেওঁত বিশ্বাস কৰিব তেওঁ কেতিয়াও
লাজত নপৰিব।” *যিচয়া ২৮:১৬*

৭তোমালোক বিশ্বাসী সকলৰ বাবে বহুমূল্য, কিন্তু অবিশ্বাস
কৰা বিলাকৰ নিমিত্তে,

“সেই শিলেই যাক ঘৰজসজীয়া বিলাকে
অগ্ৰাহ্য কৰিলে সেয়ে চুকৰ প্ৰধান শিল হল।”
*গীতমালা ১১৮:২২*

৮অৰ্থাৎ সেয়া হৈ গৈছিল:

“এক এনে শিল যত মানুহে উজুতি খায়,
আৰু এনে এটা শিলাময় যত মানুহে বিঘিনি পায়”
*যিচয়া ৮:১৪*

মানুহে উজুতি খায় কিয়নো তেওঁবিলাকে ঈশ্বৰৰ বাক্য অমান্য
কৰে আৰু সেয়ে তেওঁবিলাকৰ কাৰণেই নিযুক্ত হৈছিল।
৯কিন্তু তোমালোক মনোনীত বংশ, ৰাজকীয়-পুৰোহিত,
পবিত্ৰ জাতি, আৰু ঈশ্বৰৰ নিজ বিশেষ লোক, তোমালোকে
যেন ঈশ্বৰৰ সদগুণ প্ৰকাশ কৰা।তেওঁ সেই ঈশ্বৰ যি জনাই
আন্ধাৰৰ পৰা তেওঁ আচৰিত পোহৰলৈ তোমালোকক
আমন্ত্ৰণ কৰিলে।

১০ এসময়ত তোমালোক প্ৰজা নাছিলা
কিন্তু এতিয়া তোমালোক ঈশ্বৰৰ প্ৰজা হলা।
এসময়ত তোমালোক দয়াৰ পাত্ৰ নাছিলা
কিন্তু এতিয়া ঈশ্বৰৰ দয়াৰ পাত্ৰ হলা।

### ঈশ্বৰৰ বাবে জীয়াই থাকা

১১হে মোৰ প্ৰিয় বন্ধুগন, যি তোমালোক এই সংসাৰত
পৰদেশী ৰূপে আছা মিনতি কৰিছোঁ সেই জীৱত্মাৰ বিৰুদ্ধে
যুদ্ধ কৰা মাংসিক অভিলাসৰ পৰা পৃথকে থাকা। ১২পৰজাতি
বিলাকৰ মাজত নিজৰ আচাৰ ব্যৱহাৰ ইমানেই উত্তম ৰূপে
ৰাখা যাতে তেওঁবিলাকে দুষ্কৰ্ম্মকাৰী বুলি তোমালোকৰ
বিৰুদ্ধে কথা কলেও যেন তোমালোকৰ উত্তম কৰ্ম্মৰ
পৰিনাম স্বৰূপে ঈশ্বৰৰ প্ৰকাশিত হোৱা কালত যেন ঈশ্বৰৰ
স্তুতি কৰে।

### অধিকাৰীৰ আজ্ঞা পালন কৰা

১৩প্ৰভুৰ বাবে প্ৰত্যেক মনুষ্য অধিকাৰীৰ অধীন হোৱা।তেওঁ
সকলোৰে ওপৰৰ অধিকাৰী। ১৪দেশাধিপতি সকলৰ
অধীনত থাকা।তেওঁ দুষ্কৰ্ম্মকাৰী বিলাকক দণ্ড দিবলৈ আৰু
সৎকৰ্ম্মকাৰীবিলাকক প্ৰশংসাৰ নিমিত্তে পঠাইছে। ১৫কিয়নো
ঈশ্বৰৰ এয়ে ইচ্ছা যে তোমালোকৰ উত্তম কৰ্ম্মৰ দ্বাৰা মূৰ্খ
আৰু নিৰ্বোধ মানুহবিলাকৰ অজ্ঞানতাক নিৰুত্তৰ কৰা।
১৬স্বাধীন লোকৰ দৰে হোৱা কিন্তু সেই স্বাধীনতাক দুষ্টতাৰ
ঢাকনি নকৰিবা কিন্তু ঈশ্বৰৰ দাসবিলাকৰ দৰে হোৱা।
১৭সকলোৰে সমাদৰ কৰা।নিজৰ ভাতৃভাইবিলাকক প্ৰেম
কৰা।ঈশ্বৰলৈ আদৰেৰে ভয় ৰাখা।শাসনকৰ্তাক সমাদৰ
কৰা।

### খ্ৰীষ্টৰ যাতনাৰ দৃষ্টান্ত

১৮হে চাকৰবিলাক, সম্পূৰ্ণ ভয়েৰে নিজ প্ৰভু বিলাকৰ
বশীভূত হোৱা।উত্তম আৰু আনৰ বিষয়ে চিন্তা কৰাবিলাকৰ
কেৱল নহয় কিন্তু কুটিল মনোভাৱবিলাকৰো। ১৯কিয়নো
যদি কোনোৱে ঈশ্বৰৰ উদ্দেশ্যে অন্যায় ভোগ কৰি দুখ
সহন কৰে তেন্তে তেওঁ গ্ৰহণীয়। ২০কিন্তু যদি দুষ্কৰ্ম্মৰ
কাৰনে ভুকু খালে, আৰু তুমি যদি সহন কৰা তেন্তে ইযাত
কি প্ৰশংসা আছে, কিন্তু যদি তুমি তোমাৰ স-কৰ্ম্মৰ কাৰণে
দুখভোগ কৰি সহন কৰা তেন্তে সেয়ে ঈশ্বৰৰ আগত
প্ৰশংসাৰ যোগ্য। ২১ঈশ্বৰে তোমালোকক এইকাৰণেই
আমন্ত্ৰিত কৰিলে কিয়নো যীচু খ্ৰীষ্টই আমাৰ কাৰণে দুখ
কষ্ট ভোগ কৰি আমাৰ কাৰণে এটি আৰ্হি ৰাখি গল যাতে
আমি তেওঁৰ খোজৰ অনুগামী হওঁ।

২২ “তেওঁ কোনো পাপ নকৰিলে
আৰু তেওঁৰ মূখত কোনো ছলনা পোৱা নগল।”
*যিচয়া ৫৩:৯*

২৩যেতিয়া তেওঁ নিন্দিত হল তেতিয়া তেওঁ কাৰো অপমান
নকৰিলে, যেতিয়া তেওঁ দুখ-কষ্ট ভোগিলে, তেতিয়াও

কাকো ডাবি-ধমকি নিদিলে, কিন্তু ন্যায়কৰ্তা ঈশ্বৰৰ ওপৰত
নিজকে সমৰ্পন কৰিলে। ২৪তেওঁ ক্ৰুচত নিজৰ দেহত
আমাৰ পাপৰ ভাৰ বৈ নিলে যাতে আমি যেন পাপৰ
সমন্ধে মৰি, ধাৰ্মিকতাৰ সমন্ধে জীওঁ।এইটো তেওঁৰ সাচঁৰ
কাৰণেই হল যাৰ দ্বাৰা তোমালোক সুস্হ হলা। ২৫কিয়নো
তোমালোক মেৰৰ দৰে ভ্ৰান্ত হৈ আছিলা, কিন্তু এতিয়া
তোমালোকৰ আৰু জীৱত্মাৰ ৰক্ষক আৰু অধ্যক্ষৰ ওচৰলৈ
আহিলা।

### পত্নী আৰু স্বামী

৩ ১সেই দৰে হে ভাৰ্য্যাবিলাক, নিজ নিজ স্বামীৰ
বশীভূত হোৱা।যদিও তোমালোকৰ কোনোৱে
ঈশ্বৰৰ বাক্যৰ পালন নকৰে তথাপিও তোমালোকৰ পবিত্ৰ
আৰু ভয়যুক্ত আচাৰ ব্যৱহাৰৰ দ্বাৰাই বিনা কথাই নিজ
নিজ ভাৰ্য্যাবিলাকৰ ব্যৱহাৰৰ দ্বাৰাই যেন পোৱা যায়।
২তোমালোকৰ পিন্ধা অলংঙ্কাৰ বা বস্ত্ৰ পৰিধান কৰা বাহ্যিক
নহওক। ৩অৰ্থাৎ কেশ-বেশ সোণৰ অলংঙ্কাৰ পিন্ধিবলৈ
ভাল ভাল ভূষণৰ বাবে কৰা হয়। ৪কিন্তু তোমালোকৰ ভূষণ
তোমালোকৰ আন্তৰিক ব্যক্তিত্বৰে হওক, যিটো নন্ৰ আৰু
শান্ত আত্মাস্বৰূপ অবিনাশী সৌন্দৰ্য্যযুক্ত হয়।ঈশ্বৰৰ দৃষ্টিত
যি বহুমূলীয়া।
৫কিয়নো আগৰ কালত যি পবিত্ৰ তিৰোতা-বিলাকে এনে
নিজকে বিভূষিত কৰছিল, তেওঁ বিলাকে ঈশ্বৰত ভাৰসা
কৰিছিল।আৰু তেওঁলোক নিজ নিজ স্বামীৰ বশীভুত
হৈছিল। ৬যেনে দৰে চাৰাই আব্ৰাহামক প্ৰভু বুলি মানিছিল
তোমালোকেও ভয়কাৰিণী নহৈ সৎকৰ্ম্মকাৰিণীৰ জীয়াৰি হলা।
৭সেই দৰে হে পুৰুষবিলাক, তোমালোক নিজ
ভাৰ্য্যাবিলাকৰ সৈতে জ্ঞানপূৰ্ব্বক সহবাস কৰা।তেওঁ
বিলাকক দুৰ্ব্বল জানি সমাদৰ কৰা।জীৱনৰূপৰ অনুগ্ৰহত
তেওঁবিলাকক নিজৰ সহধিকাৰিণী মানিবা যাতে
তোমালোকৰ প্ৰাৰ্থনাত বাধা নজন্মে।

### স-কৰ্ম্মৰ বাবে দুখ সহন কৰা

৮শেষত মই কওঁ তোমালোকক সকলো এক মনৰ লোক
সহানুভূতিশীল, ভাতৃ প্ৰেমকাৰী, কোমল চিত্তৰ আৰু নম্ৰ
লোক হোৱা। ৯অপকাৰৰ সলনি অপকাৰ নকৰিবা।অথবা
তিৰস্কাৰৰ সলনি তিৰস্কাৰ নকৰি তাৰ সলনি আৰ্শীবাদ কৰা
কিয়নো তোমালোকক ঈশ্বৰে ইয়াৰ কাৰণেই আমন্ত্ৰণ
কৰিছে।ইয়াৰ দ্বাৰাই তোমালোকক ঈশ্বৰৰ আৰ্শীবাদৰ
উত্তৰাধিকাৰ পাবা। ১০শাস্ত্ৰই কয়:

"যি জনে আনন্দ উপভোগ কৰিব বিচাৰে
যি জনে মঙ্গলৰ দিন চাবলৈ ইচ্ছা কৰে
তেওঁ কেতিয়াও কতো কুকথা নকওক
তেওঁ নিজৰ ওঁঠক ছলনা-বাক্যৰে পৰা ধৰি ৰাখক
১১ তেওঁ নিজকে কুকৰ্ম্মৰ পৰা পৃথক ৰাখি যি উত্তত
সৎকৰ্ম্ম তাকে সদায় কৰক,
তেওঁ যত্নশীল হওক শান্তি পাবলৈ তেওঁ শান্তিৰ
অনুসৰণ কৰক।
১২ প্ৰভুৰ চকু তাৰ ওপৰত যি উত্তম,
প্ৰভুৰ কাণ তেওঁবিলাকৰ প্ৰাৰ্থনালৈ যি
যিবিলাকলৈ কুকৰ্ম্মকাৰী,
প্ৰভু সদায় তেওঁবিলাকলৈ মূখ কোদোৱা।"

*গীতমালা ৩৪:১২–১৬*

১৩যদি যি উত্তম তোমালোকে তাকে কৰিবলৈ উদ্যোগী
হোৱা তেন্তে তোমালোকক কোনে অত্যাচাৰ কৰিব
পাৰে। ১৪কিন্তু যদি তোমালোকক ভাল কৰ্ম্মৰ বাবে দুখ
ভোগ কৰিব লগা হয়, তেন্তে তোমালোক ধন্য।সেয়ে
তেওঁবিলাকৰ ভয়ত ভয়াতুৰ নহবা আৰু ব্যাকুল নহবা।
১৫নিজৰ হৃদয়ত খ্ৰীষ্টক প্ৰভু বুলি মানিবা।তোমালোকে যি
বিশ্বাস কৰিছা তাৰ যদি কোনোবাই তোমালোকৰ বিচাৰ লয়
তেন্তে তাৰ উত্তৰ দিবলৈ সদায় সষ্টম হৈ থাকিবা। ১৬কিন্তু
নম্ৰতা আৰু ভয়েৰে উত্তৰ দিবা।নিজৰ হৃদয় শুদ্ধ ৰাখিবা
যাতে যীচু খ্ৰীষ্টত তোমালোকৰ উত্তম আচৰণক নিন্দা কৰা
বিলাকে তোমালোকক নিন্দা কৰা বিষয়ত লাজত পৰিব।
১৭যদি ঈশ্বৰৰ ইচ্ছা হলে কুকৰ্ম্ম কৰি দুখ-ভোগ কৰাতকৈ
স-কৰ্ম্ম কৰি দুখ-ভোগ কৰা ভাল।

১৮ কিয়নো খ্ৰীষ্টে আমাৰ পাপৰ
অৰ্থে দুখ-ভোগ কৰিলে।
অৰ্থাৎ তেওঁ যি নিৰ্দ্দোষী আছিল
আমি পাপীবিলাকৰ কাৰণে এবাৰেই মৰিল
যাতে আমাক ঈশ্বৰৰ ওচৰলৈ যাব লৈ পাৰে।
তেওঁ মাংসত হত হল
কিন্তু আত্মাত হলে পুনৰ্জীৱিত হল।

১৯আত্মাৰ স্হিতিতেই তেওঁ গৈ সেই স্বৰ্গীয় আত্মা বিলাকক
যিবিলাক কয়দত আছিল সংবাদ দিলে ২০যিবিলাকে সেই
সময়ত ঈশ্বৰৰ আজ্ঞা নমনা আছিল যেতিয়া নোহৰ জাহাজ
নিৰ্ম্মান কৰা কালত আৰু ঈশ্বৰে দীৰ্ঘ সহিংঞুতাই বাট
চাই থাকোতে নাৱত কেৱল মাত্ৰ আঠজন ব্যক্তিহে পানীৰ
পৰা ৰক্ষা পালে। ২১এই পানী সেই বাপ্তিস্মৰ দৃষ্টান্তস্বৰূপ
যাৰ দ্বাৰা তোমালোকৰ উদ্ধাৰ হয়।শৰীৰৰ মলি গুচুৱা
নহয় কিন্তু সদবিবেকেৰে ঈশ্বৰলৈ প্ৰাৰ্থনা, এতিয়া বাপ্তিস্ম
তোমালোকক যীচু খ্ৰীষ্টৰ পুনৰুত্থানৰ দ্বাৰাই ৰক্ষা কৰে।
২২তেওঁ স্বৰ্গত ঈশ্বৰৰ সোঁহাতে আছে, আৰু স্বৰ্গদূতবিলাক,
অধিকাৰীবিলাক আৰু সকলো ক্ষমতা আৰু শক্তিবিলাক
তেওঁ বশীভুত কৰা হল।

### পৰিৱৰ্তীত জীৱন

৪ ১এতেকে খ্ৰীষ্টে মাংসত দুখভোগ কৰা কাৰণে
তোমালোকেও সেই অভিপ্ৰায়েৰে যেন মানসিকতাক
অস্ত্ৰ ৰূপে ধাৰণ কৰা, কিয়নো যি জনে শাৰীৰিক দুখ ভোগ

করে, তেওঁ পাপৰ পৰা মুক্ত হয়। ২এতেকে তেওঁ পুনৰ
অভিলাষৰ দৰে অনুসৰণ নকৰক, কিন্তু ঈশ্বৰৰ ইচ্ছাৰ দৰে
কৰ্ম্ম কৰি নিজৰ ভৌতিক জীৱন সমৰ্পিত কৰক। ৩কিয়নো
তোমালোক এতিয়ালৈকে অজ্ঞান ব্যক্তিৰ দৰে লম্ফট
আচৰন, অভিলাষ, সুৰাপান, ৰং-ৰস, পানাৰ্থক, আমোদ-
প্ৰমোদ, আৰু ঘিণলগীয়া দেৱপূজাত প্ৰয্যাপ্ত সময় পাৰ
কৰিলা।

৪এতিয়া তোমালোক এই ঘৃণিত উপচয়লৈ সেইবিলাকৰ
লগ নোলোৱাত তেওঁবিলাকে আচৰিত মানি তেওঁবিলাকে
তোমালোকক নিন্দা কৰে। ৫তেওঁবিলাক যি বিলাকে এতিয়া
জীৱিত বা মৃত হল, তেওঁলোকে নিজৰ ব্যৱহাৰৰ যি জনে
সোধবিচাৰ কৰিবলৈ যুগুত আছে তেওঁৰ আগত হিচাপ-
নিকাচ দিব লাগিব। ৬সেয়ে সেই বিশ্বাসীসকলৰ যি সকল
মৃত তেওঁবিলাকৰ আগতো শুভবাৰ্তা প্ৰচাৰ কৰা হল যেন
তেওঁবিলাকক মানুহবিলাকৰ অনুসাৰে মাংসত বিচাৰ কৰা
হয় কিন্তু ঈশ্বৰৰ অমুসাৰে আত্মাত জীৱিত থাকে।

## ভাল ভঁৰালী হোৱা

৭সেই সময় নিচেই ওচৰ, যেতিয়া সকলো শেষ হব।এতেকে
সুবোধ আুৰ সচেতন হোৱা যাতে প্ৰাৰ্থনাত সহায়ক হয়।
৮আৰু সকলোতকৈ ডাঙৰ কথাটো হল সকলোৰে প্ৰতি
আগ্ৰহযুক্ত প্ৰেম ৰাখা, কিয়নো প্ৰেমে অসংখ্য পাপসমূহ
ঢাকে। ৯ওজৰ আপত্তি নকৰাকৈ অতিথি-সেৱাত আসক্ত
হোৱা। ১০প্ৰতিজনে ঈশ্বৰৰ পৰা যেনেকৈ যি অনুগ্ৰহৰ
বৰ পালে, তাৰে ঈশ্বৰৰ বহুবিধ অনুগ্ৰহৰূপ ধনৰ উত্তম
ভঁৰালীৰ দৰে, পৰস্পৰে সেৱা-শুশ্ৰূষা কৰা। ১১কোনোবাই
যদি কথা কয়, তেওঁ ঈশ্বৰৰ পৰা পোৱা বচন-সমূহৰ দৰে
কওক।কোনোৱে যদি সেৱা-শুশ্ৰূষা কৰে, তেন্তে তেওঁ
ঈশ্বৰে দিয়া সেই শক্তিৰ দৰে কৰক।এইদৰে যেন সকলো
বিষয়তে যীচু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰ মহিমান্বিত হয়।তেওঁৰেই
মহিমা আৰু পৰাক্ৰম সদা-সৰ্বদায় হওক।আমেন!

## খ্ৰীষ্টৰ সাদৃশ্য দুখ ভোগ কৰা

১২হে মোৰ প্ৰিয় বন্ধুগন, তোমালোকৰ মাজত অগ্নিপৰীক্ষাৰ
যি জুই জ্বলিছে, সেয়ে তোমালোকলৈ কিবা অঘটন
ঘটিছে বুলি আচৰিত নাভাৱিবা। ১৩কিন্তু আনন্দ কৰা যে
তোমালোকেও খ্ৰীষ্টৰ দুখ-ভোগৰ যি পৰিমানৰ সমভাগী
হৈছা যেন তেওঁৰ গৌৰৱ প্ৰকাশিত হোৱা কালত
তোমালোকে আনন্দৰে উল্লাস কৰিব পাৰা। ১৪যদি খ্ৰীষ্টৰ
নামৰ নিমিত্তে তোমালোক নিন্দিত হোৱা, তেন্তে সহন
কৰা কিয়নো তোমালোক খ্ৰীষ্টৰ অনুগামী, তোমালোক
ধন্য কিয়নো ঈশ্বৰৰ গৌৰৱৰ আত্মা তোমালোকৰ ওপৰত
আছে। ১৫এতেকে তোমালোকৰ মাজত কোনেও নৰ-বধী,
চুৰ, বা কুকৰ্ম্মকাৰী, বা পৰচৰ্চ্চাকাৰী হৈ দুখভোগ নকৰক।
১৬কিন্তু খ্ৰীষ্টিয়ান হোৱাৰ কাৰণে যদি দুখ-ভোগ কৰে তেন্তে
তেওঁ লজ্জিত নহৈ কিন্তু সেই নামেৰে ঈশ্বৰক গৌৰৱম্বাৱিত
কৰক। ১৭কিয়নো ঈশ্বৰৰ নিজৰ গৃহৰ পৰাই সোধবিচাৰৰ
আৰম্ভণৰ সময় হৈছে।আৰু সেয়া যদি প্ৰথমতে আমাত হয়
তেন্তে শুভবাৰ্তা নমনাবিলাকৰ শেষ গতি কি হব?

১৮ “যদি এজন ধাৰ্মিক ব্যক্তিৰেই পৰিত্ৰাণ পোৱাটো
কঠিন
তেনেহলে ঈশ্বৰহীন আৰু পাপীষ্ঠ বিলাকৰ সৈতে
কি ঘটিব” *হিতোপদেশ ১১:৩১*

১৯এই কাৰণে যিবিলাকে ঈশ্বৰৰ ইচ্ছাৰ দৰে দুখভোগ কৰে,
তেওঁবিলাকে স-কৰ্ম্ম কৰি নিজ নিজ জীৱাত্মাক বিশ্বাসী
সৃষ্টিকৰ্ত্তাৰ হাতত সমৰ্পন কৰক।

## ঈশ্বৰৰ লোকবিলাক

৫ ১এতেকে মই তোমালোকৰ মাজত যি সকল
বৃদ্ধলোক মইয়ো এজন বৃদ্ধ লোক হৈ আৰু খ্ৰীষ্টৰ
দুখভোগৰ সাক্ষী, আৰু প্ৰকাশিত হবলৈ উদ্যোত হোৱা
ঐশ্বৰ্য্যৰ সহভাগী তোমালোকক মিনতি কৰিছোঁ। ২পথদৰ্শক
ঈশ্বৰৰ যি জাক তোমালোকৰ তত্বৱাধনত আছে, তাক
প্ৰতিপালন কৰা, আৱশ্যকতাৰ কাৰণে নহয়, কিন্তু ঈশ্বৰৰ
ইচ্ছাৰে সন্তোষ্ট মনেৰে, তোমালোক এই কাম কুচ্চিত
লাভৰ অৰ্থেও নহয় কিন্তু সেৱাৰ অৰ্থে সন্তুষ্ট মনেৰে কৰা।
৩আৰু তোমালোকক নিৰুপিত অধিকাৰ যি দিয়া হৈছে
তাৰ ওপৰত প্ৰভুত্ব নকৰিবা, কিন্তু লোকবিলাকৰ কাৰণে
এক আদৰ্শৱান হোৱা। ৪যাতে প্ৰধান ৰক্ষক প্ৰকাশিত হোৱা
কালত, তোমালোকে ঐশ্বৰ্য্যৰূপ অম্লান কিৰটি পাবা যাৰ
সুন্দৰতা কেতিয়াও নকমে।

৫এতেকে হে ডেকাবিলাক, তোমালোক বৃদ্ধবিলাকৰ
বশীভুত হোৱা।তোমালোক পৰস্পৰে বিনম্ৰতাৰে কঁকাল
বাঁন্ধা,

“কিয়নো ঈশ্বৰে অহঙ্কাৰীবিলাকক প্ৰতিৰোধ কৰে,
কিন্তু নম্ৰবিলাকক সদায় অনুগ্ৰহ দান কৰে।”
*হিতোপদেশ ৩:৩৪*

৬এতেকে ঈশ্বৰৰ পৰাক্ৰমী হাতৰ অধীনত নিজকে নত
কৰা।যাতে তেওঁ উপযুক্ত সময়ত তোমালোকক যেন
উন্নত কৰে। ৭তোমালোকৰ সকলো চিন্তাৰ ভাৰ তেওঁৰ
ওপৰত দি দিয়া, কিয়নো তোমালোকৰ নিমিত্তে তেওঁ চিন্তা
কৰে।

৮সচেতন হোৱা পৰ দি থাকা।তোমালোকৰ শত্ৰু
চয়তান গুজৰি থকা সিংহৰ দৰে কাক কেনেকৈ গ্ৰাস
কৰিব পাৰিব, তাৰ উপায় বিচাৰি ফুৰিছে। ৯বিশ্বাসত দৃঢ়
হৈ তাক প্ৰতিৰোধ কৰা।কিয়নো তোমালোকে জানা যে
তোমালোকৰ ভাই-ভনী সকলে সমগ্ৰ জগতত একেই দুখ
ভোগ কৰি আছে।

১০কিন্তু সকলো অনুগ্ৰহৰ আকৰ যি ঈশ্বৰে তেওঁৰ
অনন্ত গৌৰৱৰ অৰ্থে খ্ৰীষ্টত তোমালোকক আমন্ত্ৰণ কৰিলে,

তোমালোকে ্অলপ কাল দুখ ভোগ কৰাৰ পাছত, তেওঁ নিজেই তোমালোকক সিদ্ধ, সুস্হিৰ আৰু বলৱন্ত কৰিব। ১১তেওঁৰ পৰাক্রম সদা-সৰ্বদায় হওক।আমেন!

### পত্ৰৰ সমাসাৰ

১২মই তোমালোকক সংক্ষেপে লিখি, চীলৰ সহযোগত যাক মই নিজৰ ভাই জ্ঞান কৰোঁ তোমালোকক উৎসাহিত কৰিবলৈ ঈশ্বৰৰ সত্যতাৰ অনুগ্ৰহ যে এয়াই এই কথা সাক্ষ্য দিবলৈ লিখিলো, ইয়াতে স্হিৰে থাকা।

১৩বাবিলৰ থকা মণ্ডলীয়ে তোমালোকৰ সৈতে ঈশ্বৰৰ মনোনীত তোমালোকক মঙ্গলবাদ কৰিছে।খ্ৰীষ্টত মোৰ পুত্ৰ মাৰ্কেও মঙ্গলবাদ কৰিছে। ১৪প্ৰেমৰ চুমাৰে তোমালোকে পৰস্পৰে মঙ্গবাদ কৰা,

খ্ৰীষ্টত থকা তোমালোক সকলোৰে ওপৰত শান্তি হওক।